যেতিয়া দুজন মুছলিমে সাক্ষাৎ কৰি পৰস্পৰে মুচাফাহা কৰে, তেওঁলোক ইজনে সিজনক এৰি যোৱাৰ আগতে উভয়ৰে গুনাহ মাফ কৰি দিয়া হয়।

বাৰা' ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি
অছাল্লামে কৈছেঃ "যেতিয়া দুজন মুছলিমে সাক্ষাৎ কৰি পৰস্পৰে মুচাফাহা কৰে, তেওঁলোক ইজনে সিজনক এৰি যোৱাৰ আগতে উভয়ৰে গুনাহ মাফ কৰি দিয়া হয়।" [সকলো তথ্যসূত্ৰ অনুযায়ী ছহীহ] [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যেতিয়া দুজন মুছলিম ব্যক্তিয়ে ৰাস্তাত অথবা কোনো ঠাইত সাক্ষাৎ কৰি পৰস্পৰক ছালাম কৰি মুচাফাহা কৰে, তেওঁলোক দুজনে শাৰীৰিকভাৱে গুচি যোৱাৰ আগতে অথবা মুচাফাহাৰ পৰা নিজৰ নিজৰ হাত টানি লোৱাৰ আগতে উভয়ৰে গুনাহ মাফ কৰি দিয়া হয়।

http://sunnah.global/hadeeth/as/show/6257